**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 29-09-2025**
**Time : 21-25 Hrs**

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::

ৰাজ্য চৰকাৰে জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ ঘটনাৰ তদন্তৰ পৰিপ্ৰেক্ষিতত ছিংগাপুৰৰ সৈতে পাৰস্পৰিক আইনী সাহায্য চুক্তিৰ আহ্বান জনাবলৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ক আনুষ্ঠানিকভাৱে আবেদন জনাইছে। এই আহ্বানৰ পাছতে গোচৰটোৰ তদন্তৰ ক্ষেত্ৰত ছিংগাপুৰে সবিশেষ তথ্য প্ৰদান কৰাৰ লগতে অভিযুক্তক ওভতাই অনা আৰু ন্যায় প্ৰদান নিশ্চিত কৰাত সহায় হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

বাইট

মুখ্যমন্ত্ৰীয়ে কয়, যে অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ সন্ধান অসম আৰক্ষীয়ে লাভ কৰিছে। অহা ২-৩ দিনৰ ভিতৰত অভিযুক্ত শ্যামকানু মহন্ত গ্ৰেপ্তাৰ হোৱাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। আৰক্ষী সঞ্চালকপ্ৰধান হৰমিৎ সিঙে সাংবাদিকৰ আগত কয় যে এই ঘটনাৰ অনুসন্ধানৰ বাবে এছ্ আই টিয়ে ইতিমধ্যে ভালেমান তথ্য লাভ কৰিছে যদিও এতিয়াই তথ্যসমূহ ৰাজহুৱা কৰিব পৰা নাযায়। তেওঁ এই তদন্ত প্ৰক্ৰিয়া আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অসম আৰক্ষীৰ ওপৰত আস্থা ৰাখিবলৈ জনসাধাৰণক আহ্বান জনোৱাৰ লগতে উৰা বাতৰিত পতিয়ন যোৱা আৰু ভ্ৰান্ত তথ্য প্ৰচাৰৰ পৰা বিৰত থাকিবলৈ সকলোকে আহ্বান জনায়।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙৰ এই মন্তব্যৰ পিছতে অভিযুক্ত শ্যামকানু মহন্তই আত্মসমৰ্পনৰ বাবে সাজু হোৱাৰ কথা জানিব পৰা গৈছে। সামাজিক মাধ্যম ফেচবুকৰ এটা পোষ্টত তেওঁ কয় যে শীঘ্ৰে তেওঁ অসমলৈ আহি আছে। আৰক্ষীৰ সৈতে ইতিমধ্যে যোগাযোগ কৰাৰ কথাও তেওঁ পোষ্টটোত উল্লেখ কৰে।

ইপিনে, শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে কালি এজাহাৰ দাখিল কৰাৰ পাছত আজি জুবিন গাৰ্গৰ পত্নী গৰিমা গাৰ্গে এই বিষয়ে সংবাদ মাধ্যমৰ আগত কয়, যে তেওঁ ন্যায় বিচাৰে আৰু তদন্ত প্ৰক্ৰিয়াৰ ওপৰত আস্থা ৰাখিছে। ছিংগাপুৰৰ ৰহস্যজনক দ্বীপটোলৈ জুবিন গাৰ্গক কিয় লৈ যোৱা হৈছিল আৰু কি পৰিস্থিতিত এই ঘটনা ঘটিবলৈ পালে এই প্ৰশ্নসমূহৰ উত্তৰ তেওঁ পোৱা উচিত বুলিও শ্ৰীমতী গাৰ্গে মন্তব্য কৰে। শিল্পীগৰাকীৰ মৃত্যুৰ তদন্তৰ বাবে গঠন কৰা এছ্ আই টিয়ে আজি বাদ্যযন্ত্ৰী শেখৰ জ্যোতি গোস্বামী, আৰু কণ্ঠ শিল্পী অমৃতপ্ৰভা মহন্তক পুনৰ জেৰা কৰে।

ইপিনে শিল্পীগৰাকীৰ আদ্যশ্ৰাদ্ধ উপলক্ষে আজি তেওঁৰ কাহিলীপাৰাস্থিত বাসগৃহত মাংগলিক অনুষ্ঠানৰ লগতে বিভিন্ন স্থানত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। সোণাপুৰৰ কমাৰকুছিত শিল্পীগৰাকীৰ শেষকৃত্যথলীত আজি সৰ্বধৰ্ম প্ৰাৰ্থনা অনুষ্ঠিত হয়। অহা ১ অক্টোবৰত যোৰহাট ষ্টেডিয়ামত শিল্পীগৰাকীৰ শ্ৰাদ্ধানুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০

আজি শাৰদীয় দুৰ্গাপূজাৰ সপ্তমী। কালি ষষ্ঠীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠা কৰা হয়। আজি দেৱীক কালৰাত্ৰি ৰূপত পূজা-অৰ্চনা কৰা হয়। এইবাৰ দেৱী দুৰ্গাৰ হস্তীত আগমন ঘটিছে আৰু দোলাত গমন হ'ব বুলি বিশ্বাস কৰা হৈছে। অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ বিয়োগত ৰাজ্যজুৰি সৃষ্টি হোৱা শোকাকুল পৰিস্থিতিৰ মাজতে জনসাধাৰণে অনুষ্টুপিয়াকৈ অশুভ শক্তিৰ ওপৰত শুভ শক্তিৰ বিজয় বিচাৰি শক্তিৰূপিনী দুৰ্গাৰ আৰাধনা কৰিছে।

শক্তিপীঠ কামাখ্যা ধাম, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা আধ্যাত্মিকতা ৰক্ষা কৰি দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে। উগ্ৰতাৰা দেৱালয়ত আজি দুৰ্গা পূজাৰ সপ্তমীত ভক্তসকলে দেৱীৰ আশীষ গ্ৰহণ কৰে। আজি জনগণৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিকৃতিত দেৱালয়ৰ দলৈ নলিনী শৰ্মাই বন্তি প্ৰজ্বলন কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী মহানগৰীৰ কেইবাখনো পূজা মণ্ডপত দেৱীৰ আশীষ গ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি মহানগৰীৰ ২৯ খন পূজা মণ্ডপত সেৱা লয়।

০০০০০০

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই আজি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰে। উদ্যানখনৰ বাগৰি ৰেঞ্জত তেওঁ জীপ চাফাৰী কৰাৰ  পিছত উদ্যান কৰ্তৃপক্ষৰ সৈতে ৰাজ্যপালগৰাকীয়ে এখন বিশেষ বৈঠকত মিলিত হয়। বৈঠকত ৰাষ্ট্ৰীয় উদ্যানখনৰ জৈৱ বৈচিত্ৰতা সংৰক্ষণ আৰু সুৰক্ষাৰ বিষয়টো আলোচনা কৰা হয়।

০০০০০০

গুৱাহাটীৰ বৰ্ষাপাৰাত থকা অসম ক্ৰিকেট এচ'ছিয়েছনৰ ষ্টেডিয়ামত কাইলৈ আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেটৰ উদ্বোধনী খেলখন অনুষ্ঠিত হ'ব। উদ্বোধনী খেলখনত ভাৰতৰ মহিলা ক্ৰিকেট দলটো শ্ৰীলংকাৰ মুখামুখি হ'ব। ভাৰত আৰু শ্ৰীলংকাৰ দুয়োটা দল ইতিমধ্যে গুৱাহাটীত উপস্থিত হৈছে। উদ্বোধনী অনুষ্ঠানৰ ৪০ মিনিট সময় জুবিন গাৰ্গৰ সন্মানাৰ্থে উৎসৰ্গিত হ'ব বুলি বি চি চি আইয়ে সদৰি কৰিছে। উদ্বোধনী অনুষ্ঠানত কণ্ঠশিল্পী শ্ৰেয়া ঘোষালে সংগীতানুষ্ঠান পৰিবেশন কৰিব। আজি কণ্ঠশিল্পীগৰাকী বৰ্ষাপাৰা ষ্টেডিয়ামত উপস্থিত হৈ জুবিন গাৰ্গৰ মায়াবিনী ৰাতিৰ বুকুত শীৰ্ষক গীতটিৰ অনুশীলন কৰে।

গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া খেলখনৰ বাবে কাইলৈ যান-বাহন চলাচলৰ ক্ষেত্ৰত গুৱাহাটী মহানগৰীৰ যান-বাহন শাখাই কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে।

০০০০০০

সমাপ্ত